# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date : 20-12-2025**
**Time :** 21-25 Hrs

### ASSAMESE NIGHT BULLETIN
::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিয়লি গুৱাহাটীৰ বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত নৱনিৰ্মিত টাৰ্মিনেল ভৱন উদ্বোধন কৰে। ৪ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে বাঁহ আৰু কপৌ ফুলৰ আৰ্হিত এই নতুন টাৰ্মিনেল ভৱনটো নিৰ্মাণ কৰা হৈছে। প্ৰায় এক লাখ ৪০ হাজাৰ বৰ্গমিটাৰ এলেকাজুৰি নিৰ্মাণ কৰা এই নতুন টাৰ্মিনেলটো বছৰি এক কোটি ৩০ লাখ যাত্ৰীক সেৱা আগবঢ়াব পৰাকৈ নিৰ্মাণ কৰা হৈছে। বাঁহ আৰু কপৌ ফুলক বিষয়বস্তু হিচাপে লৈ নিৰ্মাণ কৰা এই টাৰ্মিনেল ভৱনে অসমৰ জৈৱ বৈচিত্ৰ্য আৰু সাংস্কৃতিক ঐতিহ্যক প্ৰতিফলিত কৰিছে। এই উপলক্ষে আয়োজিত জনসভাত দিয়া ভাষণত অসমৰ লুইতপৰীয়া ৰাইজক অসমীয়া ভাষাৰে সম্ভাষণ জনাই প্ৰধানমন্ত্ৰীয়ে নিজৰ ভাষণত কয় যে নতুন বিমান বন্দৰৰ টাৰ্মিনেল ভৱন নিৰ্মাণে অসমৰ লগতে উত্তৰ-পূৰ্বৰ বাবে নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিছে। অসমে আন্তঃগাথনিগত দিশৰ উন্নয়নৰ লগতে আইন শৃংখলাৰ দিশতো উন্নয়ন সাধন কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। ভাৰতীয় ন্যায় সংহিতা কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত অসম দেশৰ ভিতৰত শীৰ্ষ স্থানত থকা বিষয়টোক লৈ প্ৰধানমন্ত্ৰীয়ে সন্তোষ প্ৰকাশ কৰে। অসমে উন্নয়নৰ বিভিন্ন ক্ষেত্ৰত অভিলেখ সৃষ্টি কৰি অগ্ৰসৰ হৈছে বুলি তেওঁ মত প্ৰকাশ কৰে।

বাইট ঃ মোদী

শ্ৰীমোদীয়ে সম্প্ৰতি অসমত অজস্ৰ যুৱক-যুৱতীয়ে স্বচ্ছ আৰু নিকা প্ৰক্ৰিয়াৰে নিযুক্তি লাভ কৰা বিষয়টোক লৈ সন্তোষ প্ৰকাশ কৰে। অনুষ্ঠানত অংশ লৈ কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহন মন্ত্ৰী কিঞ্জাৰাপু ৰামমোহন নাইডুয়ে নিজৰ ভাষণত অসম তথা উত্তৰ পূবৰ বৈচিত্ৰপূৰ্ণ সংস্কৃতি, প্ৰাকৃতিক সৌন্দৰ্য আৰু লোক জীৱনক প্ৰশংসা কৰি কয় যে উত্তৰ পূব ভ্ৰমণ অবিহনে ভাৰত ভ্ৰমণ সম্পূৰ্ণ নহয়। তেওঁ সকলোকে অসম তথা উত্তৰ পূব ভ্ৰমণৰ বাবে আহ্বান জনায়।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অনুষ্ঠানত দিয়া ভাষণত অসমবাসীয়ে নিজৰ সপোনক বাস্তৱায়িত কৰিব পৰাকৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিকদৰ্শন কৰিছে বুলি উল্লেখ কৰে। তেওঁ লগতে শান্তি, প্ৰগতি আৰু বিকাশৰ পথত অগ্ৰসৰ হোৱা ৰাজ্যখনে গুৱাহাটী বিমান বন্দৰত সোনকালে দ্বিতীয়টো টাৰ্মিনেল লাভ কৰিব বুলি আশা প্ৰকাশ কৰে। কেন্দ্ৰীয় চৰকাৰে ২০৩২ চনৰ ভিতৰত দ্বিতীয়টো টাৰ্মিনেল নিৰ্মাণৰ কথা বিবেচনা কৰিছে যদিও ৰাজ্যখনৰ প্ৰগতিৰ স্বাৰ্থত ২০২৮ চনৰ ভিতৰতো এই টাৰ্মিনেল নিৰ্মাণ হ'ব পাৰে বুলি তেওঁ আশা প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে আজি বিমানবন্দৰতে অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ ৮০ ফুট উচ্চতাৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰে। এই কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য উপস্থিত থাকে। প্ৰধানমন্ত্ৰীয়ে সৰুসজাইৰ পৰা বশিষ্ঠৰ ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়লৈ উলিওৱা এটা ৰোড শ্ব'ত অংশ লোৱাৰ পিছত গুৱাহাটীৰ ৰাজ্যিক বিজেপিৰ কাৰ্যালয়ত দলৰ কৰ্মকৰ্তাসকলৰ সৈতে মত বিনিময় কৰে।

শ্ৰীমোদীয়ে কাইলৈ গুৱাহাটীৰ নৌ পৰিবহণ টাৰ্মিনেলত চৰাইদেউ জাহাজত ৰাজ্যৰ কেইবাগৰাকী মেধাৱী শিক্ষাৰ্থীৰ সৈতে **পৰীক্ষা পে চৰ্চা** কাৰ্যসূচীত অংশ লৈ তেওঁলোকৰ সৈতে মত বিনিময় কৰিব। ইয়াৰ পাছত তেওঁ গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত ছহিদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰি ৮৬০ গৰাকী বীৰ ছহিদক প্ৰণিপাত জনাই ছহিদ বেদীত পুষ্পাঞ্জলি অৰ্পণ কৰিব।

প্ৰধানমন্ত্ৰীগৰাকী ইয়াৰ পাছত কাইলৈ নামৰূপলৈ যাব আৰু নামৰূপ সাৰ কাৰখানাত ১২ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ নতুন ব্ৰাউনফিল্ড এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব।

০০০০

সংসদত গৃহীত বিকশিত ভাৰত G RAM G অৰ্থাৎ গ্ৰামীণ নিয়োগ নিশ্চিতকৰণ আৰু জীৱিকা অভিযান বিধেয়ক সন্দৰ্ভত আজি আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত এটা আলোচনা প্ৰচাৰ কৰা হয়। আলোচনাত অংশ লৈ অৰ্থনীতিবিদ তথা অসম ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ ড০ দেৱজিত মহন্ত আৰু জ্যেষ্ঠ সাংবাদিক নৰেশ কলিতাই ৰাজনৈতিক মত বিৰোধলৈ নগৈ এই আঁচনিখন ৰূপায়ণৰ ক্ষেত্ৰত সকলো ৰাজনৈতিক দল, প্ৰশাসন আৰু ৰাইজক সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। ড০ মহন্তই কয়, যে এই বিধেয়কখনে পূৰ্বৰ এম জি এনৰেগা আঁচনিৰ ঠাইত জনসাধাৰণক ১২৫ দিনৰ নিশ্চিত কৰ্মসংস্থাপন প্ৰদান কৰাৰ ব্যৱস্থা কৰিব। পূৰ্বৰ আঁচনিৰ সময়ত সংঘটিত অনিয়ম দূৰ কৰাৰ বাবে তৃণমূল পৰ্যায়ৰ পৰা প্ৰযুক্তিৰ সহায়ত স্বচ্ছতা ৰক্ষাৰ বাবে ব্যৱস্থা লোৱা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। অনুষ্ঠানত সাংবাদিক শ্ৰীকলিতাই কৃষক আৰু শ্ৰমিকসকল এই আঁচনিখনৰ দ্বাৰা উপকৃত হব পৰাকৈ স্থানীয় প্ৰশাসন, বিশেষকৈ পঞ্চায়তসমূহক অগ্ৰণি ভূমিকা গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

উল্লেখযোগ্য যে এই বিধেয়কখন দুয়োখন সদনে ১৮ ডিচেম্বৰত গৃহীত কৰে। এই বিধেয়কখনৰ জৰিয়তে চৰকাৰে ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ ৰাষ্ট্ৰীয় দৃষ্টিভংগী অনুযায়ী গ্ৰাম্য উন্নয়ন পৰিকাঠামো গঢ়ি তুলিব বিচৰা হৈছে। এই বিধেয়কখনৰ অধীনত প্ৰত্যেক বিত্তীয় বৰ্ষত দক্ষতাৰ প্ৰয়োজন নোহোৱা কাম কৰিব খোজা গ্ৰামাঞ্চলৰ প্ৰতিটো পৰিয়ালক ১২৫ দিনৰ কৰ্ম সংস্থাপনৰ বিধি সন্মত নিশ্চয়তা প্ৰদান কৰা হ'ব। এই আঁচনিৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৬০ আৰু ৰাজ্য চৰকাৰে ৪০ শতাংশ ধন যোগান ধৰিব। অৱশ্যে উত্তৰ-পূৰ্বাঞ্চল আৰু হিমালয়ৰ পাদদেশৰ ৰাজ্যসমূহৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে ৯০ শতাংশ আৰু ৰাজ্য চৰকাৰে ১০ শতাংশ ধন যোগান ধৰিব। ইয়াৰ উপৰি ৰাজ্য চৰকাৰসমূহে নিবনুৱা ভাট্টা আৰু ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থাও অব্যাহত ৰাখিব।

০০০০

ভাৰতীয় চিকিৎসা সন্থা বঙাইগাঁও শাখাৰ উদ্যোগত আজি বঙাইগাঁৱত এখন চিকিৎসা শিক্ষা বিষয়ক আলোচনাচক্ৰ অনুষ্ঠিত হয়। ৰাজ্যৰ বিভিন্ন ঠাইৰ সদস্যসকলে অংশগ্ৰহণ কৰা এই আলোচনাচক্ৰত স্বাস্থ্য সেৱা আগবঢ়াই থকা চিকিৎসকসকলৰ চিকিৎসা শিক্ষাৰ নতুন সংযোজনসমূহৰ বিষয়ে অৱগত কৰাৰ দিশত গুৰুত্ব

আৰোপ কৰা হয়। বঙাইগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ তৰণী ডেকাৰ লগতে সন্থাৰ ৰাজ্যিক শাখাৰ সম্পাদক ডাঃ অতুল কুমাৰ কলিতা, যুটীয়া সম্পাদক ডাঃ সমীক দে আদিকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে এই আলোচনাত অংশগ্ৰহণ কৰে।

০০০০

**ঃঃ সমাপ্ত ঃঃ**